(e) Evaluate the effectiveness of the G20 and BRICS in fostering global economic stability and addressing pressing global issues such as trade imbalances, climate change and financial crises. Which of these groups has been more successful in implementing meaningful change?

গোলকীয় অৰ্থনৈতিক স্থিৰতাৰ বিকাশ আৰু বাণিজ্যিক অসন্তুলন, জলবায়ু পৰিৱৰ্তন আৰু বিত্তীয় সংকট নিবাময়ৰ ক্ষেত্ৰত G20 আৰু BRICS ৰ কাৰ্যদক্ষতাৰ মূল্যায়ন কৰা। এই দুয়োটাৰ ভিতৰত কোনটো ৰাষ্ট্ৰগোটে অৰ্থবহ পৰিৱৰ্তন ৰূপায়ণৰ ক্ষেত্ৰত অধিক সফল?

***





**2025**

M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

# POLITICAL SCIENCE

Paper : POL0400104

**( Understanding International Relations )**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

**1.** Choose the correct answer : 1×8=8

শুদ্ধ উত্তৰটো বাছি উলিওৱা :

(a) Which of the following best describes the core assumption of Realism in International Relations (IR)?

তলত উল্লিখিত কোনটো উক্তিয়ে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত বাস্তৱবাদৰ মূল ধাৰণাক ব্যাখ্যা কৰে?

(i) States act primarily to promote global cooperation and economic interdependence.

ৰাষ্ট্ৰই মূলতঃ আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু পাৰস্পৰিক অৰ্থনৈতিক নিৰ্ভৰশীলতা প্ৰসাৰৰ বাবে কাম কৰে।





(ii) International institutions are the main actors in world politics.

আন্তৰ্জাতিক অনুষ্ঠানসমূহ বিশ্বৰাজনীতিৰ মূল কৰ্তা।

(iii) States are rational actors that seek power and security in an anarchic international system.

ৰাষ্ট্ৰসমূহ যুক্তিবাদী কৰ্তা যিয়ে নৈৰাজিক আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাত নিজৰ ক্ষমতা আৰু সুৰক্ষা সুনিশ্চিত কৰিব বিচাৰে।

(iv) Non-state actors are more influential than States in global affairs.

গোলকীয় পৰিঘটনাত অ-ৰাষ্ট্ৰীয় কৰ্তাসমূহ ৰাষ্ট্ৰবিলাকতকৈ অধিক প্ৰভাৱশালী।

(b) According to Liberalism in IR theory, what is a key factor in promoting peace among nations?

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ উদাৰতাবাদী তত্ত্বৰ মতে ৰাষ্ট্ৰবিলাকৰ মাজত শান্তি প্ৰসাৰ কৰাৰ মূল উপায় কি?

(i) Balance of power

ক্ষমতাৰ ভাৰসাম্য

(ii) Economic and institutional interdependence

অৰ্থনৈতিক আৰু প্ৰতিষ্ঠানিক পাৰস্পৰিক নিৰ্ভৰশীলতা

(iii) Military superiority

সামৰিক শ্ৰেষ্ঠত্ব

(iv) National sovereignty

ৰাষ্ট্ৰীয় সাৰ্বভৌমত্ব





M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

(c) According to Marxist theory in IR, global inequality is primarily a result of

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ মাৰ্ক্সবাদী তত্ত্বমতে গোলকীয় বৈষম্য মূলতঃ নিম্নোক্ত কোনটো কাৰকৰ ফলশ্ৰুতি?

(i) military conflicts between powerful States

শক্তিশালী ৰাষ্ট্ৰসমূহৰ মাজৰ সামৰিক সংঘৰ্ষ

(ii) the anarchic nature of the international system

আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ নৈৰাজিক প্ৰকৃতি

(iii) the capitalist mode of production and exploitation of the Global South

পুঁজিবাদী উৎপাদন ব্যৱস্থা আৰু গোলকীয় দক্ষিণৰ শোষণ

(iv) ineffective diplomacy and international law

অকাৰ্যক্ষম কূটনীতি আৰু আন্তৰ্জাতিক আইন

(d) Which of the following is an example of a feminist critique in IR?

তলত উল্লিখিত কোনটো আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ নাৰীবাদী সমালোচনাৰ এটা উদাহৰণ হয়?

(i) The focus on economic structures over political ideology

ৰাজনৈতিক মতবাদতকৈ অৰ্থনৈতিক গাঁথনিৰ ওপৰত অধিক গুৰুত্ব

*(ii)* The marginalization of women's voices in conflict and peacebuilding
সংঘৰ্ষ আৰু শান্তি প্ৰতিষ্ঠাৰ সময়ত নাৰীসকলৰ মতামতৰ প্ৰতি অৱহেলা

*(iii)* The inefficiency of international institutions
আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানসমূহৰ অকাৰ্যক্ষমতা

*(iv)* The overemphasis on global trade relations
গোলকীয় বাণিজ্যিক সম্পৰ্কৰ ওপৰত অধিক গুৰুত্ব

*(e)* Which of the following policies introduced by Mikhail Gorbachev contributed to the end of the Cold War?
মিখাইল গৰ্বাছেভে প্ৰৱৰ্তন কৰা নিম্নোক্ত কোনটো নীতিয়ে শীতল যুদ্ধৰ অৱসানৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল?

*(i)* Truman Doctrine
ট্ৰুমান্ ডক্‌ট্ৰিন্

*(ii)* Marshall Plan
মাৰ্ছেল প্লেন্

*(iii)* Glasnost and Perestroika
গ্লাছনষ্ট আৰু পেৰেষ্ট্ৰইকা

*(iv)* Iron Curtain
আইৰণ কাৰ্টেইন্





M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

*(f)* What is the primary purpose of the International Monetary Fund (IMF)?
আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (IMF)ৰ মূল উদ্দেশ্য কি?

*(i)* To fund large-scale infrastructure projects in developing countries
উন্নয়নশীল ৰাষ্ট্ৰৰ বৃহৎ আন্তঃগাঁথনিমূলক প্ৰকল্পলৈ অনুদান আগবঢ়োৱা

*(ii)* To promote free trade by reducing tariffs and trade barriers
বাণিজ্যিক শুল্ক আৰু প্ৰতিবন্ধকতা হ্ৰাস কৰি মুক্ত বাণিজ্যৰ প্ৰসাৰ কৰা

*(iii)* To provide short-term financial assistance to countries facing balance of payments problems
দেশসমূহক পৰিশোধৰ ভাৰসাম্য সমস্যাৰ সমাধানৰ বাবে হ্ৰস্বম্যাদী অৰ্থনৈতিক সাহায্য প্ৰদান কৰা

*(iv)* To enforce international environmental standards
আন্তৰ্জাতিক পাৰিবেশিক মানদণ্ড বলৱৎ কৰা

*(g)* Which International Agreement is best known for addressing climate change through legally binding commitments to reduce greenhouse gas emissions?
আইনগতভাৱে বাধ্যতামূলক দায়বদ্ধতাৰ দ্বাৰা সেউজগৃহ গেছ নিৰ্গমন হ্ৰাস কৰি জলবায়ু পৰিৱৰ্তনৰ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত নিম্নোক্ত কোনখন আন্তৰ্জাতিক চুক্তি আটাইতকৈ বেছি জনাজাত?

*(i)* Paris Agreement (2015)
পেৰিছ চুক্তি (২০১৫)





*(ii)* Montreal Protocol (1987)
মন্ট্ৰিল প্ৰট'কল (১৯৮৭)

*(iii)* Kyoto Protocol (1997)
কিয়োটো প্ৰট'কল (১৯৯৭)

*(iv)* Stockholm Declaration (1972)
ষ্টকহ'ম্ ঘোষণাপত্ৰ (১৯৭২)

*(h)* Which IR theory tends to view international terrorism as a threat to State sovereignty and national security, justifying strong military responses?
নিম্নোক্ত কোনটো আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ তত্ত্বই আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদক ৰাষ্ট্ৰীয় সাৰ্বভৌমত্ব আৰু জাতীয় নিৰাপত্তাৰ প্ৰতি ভাবুকি হিচাপে গণ্য কৰি তাৰ সামৰিক প্ৰত্যুত্তৰক ন্যায্যতা প্ৰদান কৰে?

*(i)* Liberalism
উদাৰতাবাদ

*(ii)* Constructivism
সংগঠনবাদ

*(iii)* Realism
বাস্তৱবাদ

*(iv)* Marxism
মাৰ্ক্সবাদ





M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

**2.** Answer any *six* of the following questions : 2×6=12
নিম্নোক্ত প্ৰশ্নসমূহৰ যি কোনো ছয়টাৰ উত্তৰ লিখা :

*(a)* Write two functions of the World Bank.
বিশ্ববেংকৰ দুটা কাৰ্যৰ বিষয়ে লিখা।

*(b)* Name two books written by Hans Morgenthau.
হেন্স মৰগেনথ'য়ে প্ৰণয়ন কৰা দুখন গ্ৰন্থৰ নাম লিখা।

*(c)* Mention two factors that led to the Second World War.
দ্বিতীয় বিশ্বযুদ্ধ সূচনা কৰা দুটা কাৰক উল্লেখ কৰা।

*(d)* What is the full form of START and SALT?
START আৰু SALTৰ সম্পূৰ্ণ ৰূপটো কি?

*(e)* Mention two features of the Rio Earth Summit.
ৰিঅ' ধৰিত্ৰী সম্মিলনৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

*(f)* Write two causes of 'Cuban Missile Crisis'.
'কিউবান্ মিছাইল সংকট'ৰ দুটা কাৰণ উল্লেখ কৰা।

(g) Mention any two theorists who have contributed to the feminist approach to understanding of International Relations.

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ নাৰীবাদী দৃষ্টিভংগীৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা আগবঢ়োৱা যি কোনো দুজন তাত্ত্বিকৰ নাম উল্লেখ কৰা।

(h) Mention any two factors leading to the First World War.

প্ৰথম বিশ্বযুদ্ধ সূচনা কৰা যি কোনো দুটা কাৰণ উল্লেখ কৰা।

(i) Identify any two causes of the Cold War.

শীতল যুদ্ধৰ যি কোনো দুটা কাৰণ চিহ্নিত কৰা।

(j) Discuss two features of Neo-liberalism.

নব্য-উদাৰতাবাদী দৃষ্টিভংগীৰ দুটা বৈশিষ্ট্য আলোচনা কৰা।

**3.** Answer any *four* of the following questions : 5×4=20

নিম্নোক্ত প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) What are the main assumptions of Realism in International Relations?

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ বাস্তৱবাদী তত্ত্বৰ মূল অভিধাৰণাসমূহ কি কি?

(b) How does Liberalism view the role of international institutions in global politics?

উদাৰতাবাদী দৃষ্টিভংগীয়ে গোলকীয় ৰাজনীতিত আন্তৰ্জাতিক অনুষ্ঠানসমূহৰ ভূমিকাক কিদৰে ব্যাখ্যা কৰে?





(c) Discuss the importance of NAM during the Cold War.

শীতল যুদ্ধৰ সময়ত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা।

(d) What are the primary functions of the International Monetary Fund (IMF)?

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (IMF)ৰ মূল কাৰ্যসমূহ কি কি?

(e) Discuss how human security is different from traditional national security.

মানৱীয় সুৰক্ষাৰ ধাৰণাটো পৰম্পৰাগত জাতীয় সুৰক্ষাৰ ধাৰণাৰ পৰা কিদৰে পৃথক?

(f) What is the primary purpose of the G20?

G20 ৰ মুখ্য উদ্দেশ্য কি?

(g) What role do international organizations, like the UNHCR, play in managing migration?

প্ৰব্ৰজনৰ ব্যৱস্থাৰ ক্ষেত্ৰত UNHCR আদিৰ দৰে আন্তৰ্জাতিক অনুষ্ঠানসমূহে কি ধৰণৰ ভূমিকা পালন কৰে?

(h) What is the difference between domestic terrorism and international terrorism?

আভ্যন্তৰীণ সন্ত্ৰাসবাদ আৰু আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ মাজৰ পাৰ্থক্য কি?

M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE





**4.** Answer any *two* of the following questions : 10×2=20

নিম্নোক্ত প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখা :

(a) Compare and contrast Realism and Liberalism in International Relations. Discuss their key assumptions about human nature, the international system and the role of States and international institutions in shaping global politics.

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত বাস্তৱবাদ আৰু উদাৰতাবাদৰ মাজত তুলনা আৰু পাৰ্থক্য বিচাৰ কৰা। এই দুই পৰম্পৰাই মানৱ প্ৰকৃতি, আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা আৰু ৰাষ্ট্ৰৰ লগতে আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানসমূহে গোলকীয় ৰাজনীতিৰ গতি নিৰ্ধাৰণত পালন কৰা ভূমিকা সম্বন্ধে পোষণ কৰা মূল অভিধাৰণাসমূহৰ বিষয়ে আলোচনা কৰা।

(b) Discuss the Marxist approach to International Relations. How does this theory explain global inequality and the dynamics of power between the Global North and Global South? Critically evaluate its relevance in the post-Cold War world.

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ প্ৰতি মাৰ্ক্সবাদী দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰা। এই দৃষ্টিভংগীয়ে কি ধৰণেৰে গোলকীয় অসমতা আৰু গোলকীয় উত্তৰ আৰু গোলকীয় দক্ষিণৰ ক্ষমতাৰ গতি-প্ৰকৃতি ব্যাখ্যা কৰে? এই দৃষ্টিভংগীৰ শীতল যুদ্ধোত্তৰ বিশ্বত প্ৰাসংগিকতা সম্পৰ্কে সমালোচনামূলক মূল্যায়ন আগবঢ়োৱা।





(c) How does feminist approach in International Relations challenge traditional theories? Discuss the ways in which feminist scholars address issues such as gender, power and representation in global politics, and the implications for policy and diplomacy.

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ প্ৰতি নাৰীবাদী দৃষ্টিভংগীয়ে কি ধৰণেৰে পৰম্পৰাগত তত্ত্বসমূহক প্ৰত্যাহ্বান জনায়? নাৰীবাদী চিন্তাবিদসকলে কি ধৰণেৰে লিংগ, ক্ষমতা আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত প্ৰতিনিধিত্ব আদি বিষয়ৰ লগতে তাৰ নীতি আৰু কূটনীতিৰ ক্ষেত্ৰত থকা প্ৰভাৱৰ সম্বন্ধে আলোচনা কৰে?

(d) Analyze the impact of globalization on regional economic integration. How have organizations like the European Union (EU) and the Association of Southeast Asian Nations (ASEAN) contributed to both regional cooperation and competition in the global economy?

ক্ষেত্ৰীয় অৰ্থনৈতিক একত্ৰীকৰণৰ ক্ষেত্ৰত বিশ্বায়নৰ ভূমিকা বিশ্লেষণ কৰা। ইউৰোপিয়ান ইউনিয়ন (EU) আৰু এছ'চিয়েছন অৱ ছাউথইষ্ট এছিয়ান নেছনছ (ASEAN)ৰ দৰে সংস্থাসমূহে কি ধৰণেৰে ক্ষেত্ৰীয় সহযোগিতা আৰু গোলকীয় অৰ্থনৈতিক প্ৰতিযোগিতাৰ ক্ষেত্ৰত অৱদান আগবঢ়ায়?

M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE